# Book Review

The name of the book— Mrityunjay

The name of the author— Birendra Kumar Bhattacharya

Publisher — Chandra Prakash, Guwahati

মৃত্যুঞ্জয় উপন্যাসত বৰ্ণোৱা ঘটনাৰ কাল ১৯৪২ চনৰ। ইয়াত এই সময়ছোৱাৰ ভাৰতীয় স্বাধীনতা আন্দোলনৰ চিৰস্মৰণীয় ঘটনাৱলীৰ আভাস আৰু চিত্ৰন আছে। উপন্যাসখনত কাহিনী-ৰ প্ৰয়োজনত অলেখ চৰিত্ৰৰ সমাৱেশ ঘটিলেও ধনপুৰ, গোঁসাই, ৰূপনাৰায়ণ, মহী, ডিমি, কেহুঁটে, টিকৌ মানিক বৰা, ভিভিৰাম, সুভদ্ৰা, দাৰোগা আদিয়ে মূল কাহিনীটোৰ। সেইসময়ৰ সমাজ, মানুহৰ চিন্তাধাৰা, ৰীতি-নীতিৰ বৈশিষ্ট্য, স্বাধীনতাৰ প্ৰভাৱে মানুহৰ জীৱনক কিদৰে প্ৰভাৱান্বিত কৰিছিল তাৰ নিৰ্মোহ প্ৰতিফলন উপন্যাসখনত দেখা যায়। স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ বিপৰীতে দেশজুৰি গা কৰি উঠিছিল সশস্ত্ৰ সংগ্ৰাম। ইয়াত ৰেলগাড়ী বগৰোৱাৰ ঘটনা এটাক আলম কৰিয়েই গোটেই উপন্যাসখনে গতি কৰিছে। প্ৰতীকীভাৱে কানিৰ বিষময় প্ৰভাৱ, জাতিগতভাৱে সমাজত থকা উচ্চ-নীচ ভেদাভেদৰ অৱস্থান, সেনাবাহিনীৰ অবৰ্ণনীয় অত্যাচাৰ, স্বাধীনতাৰ বাবে উন্মুখ হৈ সহজ সৰল প্ৰাণে মৃত্যু ভয়কো জিনি দেশৰ বাবেই আত্মবলিদান দিয়াৰ কথাই সেই সময়ৰ বা-মাৰলিৰ চিন দাঙি ধৰিছে। সামগ্ৰীকভাৱে এই উপন্যাসখনক ৪২ৰ স্বাধীনতা আন্দোলনৰ এক জীৱন্ত দলিল বুলিব পাৰি।

Submitted By—
Name — Sweety Sarkar
Class — B.A 6th Sem
College name- Sapatgram College

Scanned by CamScanner